# NSD NEWS UNIT
# AKASHVANI, GUWAHATI

0000000000

**Date :** 10-06-2024
**Time :** 19-10 Hrs.

***<u>Assamese Evening Bulletin</u>***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি তৃতীয়বাৰৰ বাবে প্ৰধানমন্ত্ৰী হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰে। আজি কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছতেই শ্ৰীমোদীয়ে কিষাণ সন্মান নিধিৰ সপ্তদশ কিস্তিৰ ধন মোকলাই দিয়ে।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুয়ে চুবুৰীয়া প্ৰথম নীতিৰ অধীনত আজি নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনত নেপালৰ প্ৰধানমন্ত্ৰী পুষ্প কমল দহল প্ৰচণ্ডৰ সৈতে এখন বৈঠকত মিলিত হয়।

৩। দেশৰ নিৰ্বাচন আয়োগে ৭খন ৰাজ্যৰ ১৩টা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ সময়সূচী ঘোষণা কৰিছে।

৪। ছিকিম ক্ৰান্তিকাৰী মৰ্চা এছ কে এমৰ নেতা প্ৰেম সিং টামাঙে আজি ছিকিমৰ মুখ্যমন্ত্ৰী হিচাপে দ্বিতীয়বাৰৰ বাবে শপতগ্ৰহণ কৰে।

*আৰু*

৫। টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি বাংলাদেশ দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি তৃতীয়বাৰৰ বাবে প্ৰধানমন্ত্ৰী হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰে। কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছতেই শ্ৰীমোদীয়ে কিষাণ সন্মান নিধিৰ সপ্তদশ কিস্তিৰ ধন মোকলাই দিয়ে। এই কিস্তিৰ অধীনত মোকলাই দিয়া প্ৰায় ২০ হাজাৰ কোটি টকাৰ দ্বাৰা দেশৰ ৯ কোটি ৩০ লাখ কৃষক উপকৃত হ'ব।

শ্ৰীমোদীয়ে কয় যে, তেওঁৰ চৰকাৰে গ্ৰহণ কৰা প্ৰথমটো সিদ্ধান্তই কৃষকসকলৰ কল্যাণৰ হকে তেওঁৰ প্ৰতিশ্ৰুতিবদ্ধতাকে দৰ্শাইছে। প্ৰধানমন্ত্ৰীয়ে লগতে কয় যে, তেওঁৰ চৰকাৰে কৃষকসকলৰ কল্যাণৰ লগতে কৃষি খণ্ডৰ উন্নয়নৰ হকে আৰু অধিক কাম কৰি যাব। উল্লেখযোগ্য যে দেশৰ কৃষকসকলৰ আয় অধিক হোৱাত সহায়ক হোৱাকৈ ২০১৯ চনত পি এম কিষাণ আঁচনিখন মুকলি কৰা হৈছিল। এই আঁচনিৰ অধীনত দেশৰ যোগ্য কৃষকসকলক প্ৰতিবছৰে ৬ হাজাৰ টকাৰ আৰ্থিক সাহায্য লাভ প্ৰদান কৰা হয়। এই ধনৰাশি ২ হাজাৰ টকাকৈ তিনিটা কিস্তিত হিতাধিকাৰীসকলৰ বেংক একাউণ্টত প্ৰত্যক্ষভাৱে প্ৰদান কৰা হয়। এই আঁচনিৰ জৰিয়তে বৰ্তমানলৈকে দেশৰ ১১ কোটিৰো অধিক কৃষক পৰিয়াল উপকৃত হৈছে আৰু এতিয়ালৈকে তেওঁলোকক ৩ লাখ কোটিৰো অধিক টকা হস্তান্তৰ কৰা হৈছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে তেওঁ প্ৰধানমন্ত্ৰী কাৰ্যালয়টো সদায় এটা সেৱা কেন্দ্ৰ আৰু জনসাধাৰণৰ বাবে উৎসৰ্গিত প্ৰধানমন্ত্ৰী কাৰ্যালয় হিচাপে প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা চলাই আহিছে। আজি তৃতীয়টো কাৰ্যকালৰ বাবে প্ৰধানমন্ত্ৰী হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত শ্ৰীমোদীয়ে প্ৰধানমন্ত্ৰী কাৰ্যালয়ৰ বিষয়া আৰু কৰ্মচাৰীসকলক উদ্দেশ্যি দিয়া ভাষণত এই কথা প্ৰকাশ কৰে। তেওঁ লগতে বিগত ১০ বছৰত দেশে যিমানখিনি কৰিলে তাতকৈ অধিক সাফল্য অৰ্জনৰ প্ৰয়োজনীয়তাত গুৰুত্ব আৰোপ কৰে। প্ৰধানমন্ত্ৰীয়ে কয় যে, আমি সকলোৱে দেশক এটা নতুন শিখৰলৈ লৈ যাব লাগিব। দেশৰ বিকাশত চৰকাৰী কৰ্মচাৰীসকলৰ

অৰিহণাৰ শলাগ লৈ প্ৰধানমন্ত্ৰীয়ে কয় যে, নিৰ্বাচনৰ এই বিজয়যাত্ৰাত কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিগৰাকী কৰ্মচাৰী সচা অৰ্থত সম্পূৰ্ণৰূপে জড়িত হৈ আছে। শ্ৰীমোদীয়ে কয় যে, তেওঁ ন উদ্যম আৰু শক্তিৰে আগবাঢ়ি যাব বিচাৰে।

০০০০

নতুন দিল্লীৰ চেভেন লোক কল্যাণ মাৰ্গত থকা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বাসগৃহত নতুন এন ডি এ চৰকাৰৰ প্ৰথমখন কেবিনেট বৈঠক চলি আছে। ৰাষ্ট্ৰপতি ভৱনত কালি ৩০ গৰাকী সাংসদে কেবিনেট মন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে। এই মন্ত্ৰীসকলক তেওঁলোকৰ দপ্তৰসমূহ বিতৰণ কৰিবলৈ এতিয়াও বাকী আছে।

০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুয়ে চুবুৰীয়া প্ৰথম নীতিৰ অধীনত আজি নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনত নেপালৰ প্ৰধানমন্ত্ৰী পুষ্প কমল দহল প্ৰচণ্ডৰ সৈতে এখন বৈঠকত মিলিত হয়। বৈঠকত ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে দুয়োখন দেশৰ মাজৰ অনন্য সম্পৰ্ক অধিক শক্তিশালী কৰাত দিল্লীৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ বিষয়ে উল্লেখ কৰে। দুয়োগৰাকী নেতাই দেশ দুখনৰ জনসাধাৰণক উপকৃত কৰাৰ হকে নেপালৰ বিভিন্ন খণ্ডত উন্নয়নমূলক উদ্যমসমূহ আগবঢ়াই নিয়া সন্দৰ্ভতো আলোচনা কৰে।

০০০০

কেন্দ্ৰীয় মন্ত্ৰী ড° এছ জয়শংকৰে আজি নতুন দিল্লীত মৰিচাচৰ প্ৰধানমন্ত্ৰী প্ৰবীন্দ জগনৌথক সাক্ষাৎ কৰে। সামাজিক মাধ্যমযোগে প্ৰকাশ কৰা এটা বাৰ্তাত ড° জয়শংকৰে তেওঁলোকৰ কথোপকথনত ভাৰত মৰিচাচৰ মাজত থকা বিশেষ সম্বন্ধ প্ৰতিফলিত হোৱা বুলি মন্তব্য কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে নেপালৰ প্ৰধানমন্ত্ৰী পুষ্প কমল দহলকো সাক্ষাৎ কৰি দুয়োখন দেশৰ বৰ্ধিত বহুপাক্ষিক সহযোগিতাৰ বিভিন্ন দিশ সম্পৰ্কে আলোচনা কৰে। ড° জয়শংকৰে মালদ্বীপৰ ৰাষ্ট্ৰপতি ড° মহামেদ মুইজুৰ সৈতে বৈঠকত মিলিত হৈ দুয়োখন দেশে বিভিন্ন ক্ষেত্ৰত সহযোগিতাৰে আগবাঢ়ি যোৱাৰ বাবে আশা প্ৰকাশ কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে লগতে বাংলাদেশৰ প্ৰধানমন্ত্ৰী শ্বেখ হাছিনা, শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি ৰনিল ৱিক্ৰেমেসিংঘে, ভূটানৰ প্ৰধানমন্ত্ৰী শ্বেৰিং টবগে আৰু চিচিলিৰ উপ ৰাষ্ট্ৰপতি আহমেদ আফিফকো সাক্ষাৎ কৰে।

০০০০

দেশৰ নিৰ্বাচন আয়োগে ৭খন ৰাজ্যৰ ১৩টা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ সময়সূচী ঘোষণা কৰিছে। ১৩টা বিধানসভা সমষ্টিৰ ভিতৰত পশ্চিমবংগৰ ৪টা, হিমাচল প্ৰদেশৰ ৩টা, উত্তৰাখণ্ডৰ দুটা আৰু বিহাৰ, তামিলনাডু, মধ্যপ্ৰদেশ, পঞ্জাবৰ এটাকৈ সমষ্টি আছে। নিৰ্বাচন আয়োগে জনোৱা মতে এই বিধানসভা সমষ্টিকেইটাৰ অহা ১০ জুলাইত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব আৰু ১৩ জুলাইত ভোটগণনা কৰা হ'ব।

০০০০

ইম্ফলৰ জিৰিবাম পথৰ ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ সমীপৰ কটলেন গাঁৱত আজি পুৱা চাৰে ১০ বজাত মণিপুৰৰ মুখ্যমন্ত্ৰী এন বিৰেন সিঙৰ আগতীয়াকৈ যোৱা নিৰাপত্তাৰক্ষীৰ কনভয়ত সন্দেহযুক্ত উগ্ৰপন্থীয়ে আক্ৰমণ চলোৱাৰ ফলত মৈৰাংথেম আজেশ নামৰ এজন আৰক্ষী জোৱান গুৰুতৰভাৱে আহত হয়। আহতজোৱানক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। অতিৰিক্ত আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ ঘটনাৰ তদন্ত আৰম্ভ কৰিছে। অৱশ্যে ঘটনাৰ সময়ত মুখ্যমন্ত্ৰীগৰাকী দলটোৰ সৈতে ভ্ৰমণৰত নাছিল। তেওঁ কাইলৈ জিৰিবামত উপস্থিত হৈ জিলাখনৰ আইন-শৃংখলা পৰিস্থিতিৰ বুজ লোৱাৰ লগতে সাম্প্ৰদায়িক উত্তেজনাৰ

ফলত প্ৰভাৱিত পৰিয়ালসমূহৰ সৈতে আশ্ৰয় শিবিৰত সাক্ষাৎ কৰাৰ কথা আছিল। আক্ৰমণৰ ঘটনাৰ পাছত অঞ্চলটোত অতিৰিক্ত সুৰক্ষা বাহিনী মোতায়েন কৰা হৈছে বুলি আৰক্ষী বিভাগে জানিবলৈ দিছে।

০০০০

ছিকিম ক্ৰান্তিকাৰী মৰ্চা এছ কে এমৰ নেতা প্ৰেম সিং টামাঙে আজি ছিকিমৰ মুখ্যমন্ত্ৰী হিচাপে দ্বিতীয়বাৰৰ বাবে শপতগ্ৰহণ কৰে।  তেওঁৰ লগতে ১১ গৰাকী কেবিনেট মন্ত্ৰীয়েও আজি শপত লয়। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই শ্ৰীটামাং আৰু তেওঁৰ মন্ত্ৰী সভাৰ সদস্যসকলক পদ আৰু গোপনীয়তাৰ শপতবাক্য পাঠ কৰোৱায়। আজি শপত গ্ৰহণ কৰা কেবিনেট মন্ত্ৰীসকলৰ ভিতৰত চোনম লামা, অৰুণ কুমাৰ উপ্ৰেটি, চমদুপ লেপচা, ভিমহাং লিম্বু অন্যতম। গেংটকৰ পালিজোৰ ষ্টেডিয়ামত আজি বিয়লি আয়োজিত শপতগ্ৰহণ অনুষ্ঠানত বৌদ্ধ ভিক্ষুসকলৰ প্ৰাৰ্থনা, খ্ৰীষ্টধৰ্মী সংগীত গোটৰ গীত পৰিৱেশন আৰু বেদৰ মন্ত্ৰ উচ্চাৰণে গাম্ভীৰ্যপূৰ্ণ পৰিৱেশৰ সৃষ্টি কৰে। উল্লেখযোগ্য যে ছিকিম বিধানসভা নিৰ্বাচনত ৩২ খনৰ আসনৰ ভিতৰত ছিকিম ক্ৰান্তিকাৰী মৰ্চাই ৩১ খনতেই জয়লাভ কৰিছিল। ছিকিম ডেম'ক্ৰেটিক ফ্ৰ'ণ্টে মাত্ৰ এখন আসন লাভ কৰিবলৈ সমৰ্থ হয়।

০০০০

মণিপুৰত যোৱা মাহত ঘূৰ্ণিবতাহ আৰু শিলাবৃষ্টিৰ ফলত হোৱা ক্ষয় ক্ষতিৰ বুজ লোৱাৰ উদ্দেশ্যে কেন্দ্ৰীয় মন্ত্ৰী পৰিষদৰ এটা দল ৰাজ্যখনত উপস্থিত হৈছে। যোৱা ৫ মে'ত হোৱা ধুমুহা আৰু শিলাবৃষ্টিৰ ফলত ৰাজ্যখনৰ বিভিন্ন অংশত বাসগৃহ, যান-বাহন আৰু খেতিপথাৰৰ বিস্তৰ ক্ষতি সাধন হয়। দলটোৱে আজি থৌবাল জিলাৰ বিভিন্ন অঞ্চল ভ্ৰমণ কৰি এই ক্ষতিৰ বুজ লয়। ৪ জনীয়া সদস্যৰ কেন্দ্ৰীয় মন্ত্ৰী পৰিষদৰ দলটোৱে জিলা পৰ্যায়ৰ বিষয়াসকলকে ধৰি জিলা প্ৰশাসনৰ বিষয়াসকলৰ সৈতে বৈঠকত মিলিত হৈ পৰিস্থিতিৰ পৰ্যালোচনা কৰে।

০০০০

আকাশবাণীৰ দ্বিভাষিক ফোন ইন অনুষ্ঠান প্লাবিক স্পীকত আজি নিশা চাৰে ৯ বজাত আৱৰ্জনা ব্যৱস্থাপনা বিশেষজ্ঞ স্বাতি সিং চাম্ব্যাল আৰু চাৰকুলাৰ অৰ্থনৈতিক বিশেষজ্ঞ ড° সুনীল পাণ্ডেৰ সৈতে **বহনক্ষম ভৱিষ্যতৰ বাবে আৱৰ্জনা ব্যৱস্থাপনা** সন্দৰ্ভত এটি আলোচনা প্ৰচাৰ কৰা হ'ব। আলোচনাটি চলি থকাৰ সময়ত আগ্ৰহী শ্ৰোতাই **০১১-২৩৪২১০৫০** আৰু **০১১-২৩৩১৪৪৪৪** নম্বৰলৈ ফোন কৰি জাৰৰ ব্যৱস্থাপনাৰ বিভিন্ন দিশ সন্দৰ্ভত  প্ৰশ্ন সুধিব পাৰিব। ইয়াৰ উপৰি শ্ৰোতাসকলে **৯২৮৯০-৯৪০৪৪** নম্বৰত হোৱাটছএপৰ জৰিয়তেও প্ৰশ্ন কৰিব পাৰিব। অনুষ্ঠানটি আকাশবাণী  গ'ল্ড আৰু অতিৰিক্ত ফ্ৰিকুৱেঞ্চিসমূহত পোনপটীয়াকৈ প্ৰচাৰ কৰা হ'ব। ইয়াৰ উপৰি আকাশবাণীৰ ৱেবচাইট newsonair.gov.in আৰু আমাৰ ইউটিউব চেনেল News ON AIR OFFICIALতো এই অনুষ্ঠান উপলব্ধ হ'ব।

০০০০

জম্মু-কাশ্মীৰৰ ৰিয়াছি জিলাৰ তেৰিয়াথ গাঁৱৰ সমীপত কালি সন্ধিয়া সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণত তীৰ্থযাত্ৰী কঢ়িওৱা এখন বাছ খাৱৈত বাগৰি পৰাৰ ফলত ১০ জন তীৰ্থযাত্ৰীৰ মৃত্যু হোৱাৰ লগতে ৩৩ জন আহত হয়। বাছখন শিৱ খ'ৰি পবিত্ৰ গুহা দৰ্শন কৰি কাট্ৰা অভিমুখে গৈ আছিল। ৰিয়াছিৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক মোহিত শৰ্মাই কৈছে যে, বাছখনৰ চালকজনৰ গাত গুলী লগাৰ ফলত বাছখন নিয়ন্ত্ৰণহীন হৈ পৰে। আহত লোকসকলক তেৰিয়াথ, ৰিয়েছি আৰু জম্মুৰ চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পৰিস্থিতিৰ বুজ লোৱাৰ লগতে লেফটেনেণ্ট গৰ্ভনৰ মনোজ সিনহাক সঘনে পৰিস্থিতি নিৰীক্ষণ কৰাৰ লগতে আহত লোকসকলৰ সকলোধৰণৰ চিকিৎসা আৰু সাহায্য নিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়ে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে এই ঘটনাত শোক প্ৰকাশ কৰি কয় যে, এয়া হৈছে মানৱতাৰ বিৰুদ্ধে এটা অপৰাধ। ৰাষ্ট্ৰপতিগৰাকীয়ে আঘাতপ্ৰাপ্তসকলৰ আশু আৰোগ্য কামনা কৰাৰ লগতে কয় যে, দেশ নিহত সকলৰ পৰিয়ালৰ সৈতে আছে। উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে এই ঘটনাক কঠোৰ ভাষাৰে গৰিহণা দি কয় যে, ইয়াৰ বাবে অতিশয় দুখিত। উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে শোক-সন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে। কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহে এই আক্ৰমণক গৰিহণা দিয়ে। তেওঁ জম্মু-কাশ্মীৰৰ লেফটেনেণ্ট গৰ্ভনৰ আৰু আৰক্ষী সঞ্চালক প্ৰধানক ঘটনাৰ তদন্ত কৰিবলৈ নিৰ্দেশ দিয়ে।

আকাশবাণীৰ জম্মুৰ সংবাদদাতাই জনাইছে যে, এই ঘটনাত জড়িত সন্ত্ৰাসবাদীক বিচাৰি নিৰাপত্তাৰক্ষীয়ে ইতিমধ্যে ব্যাপক তালাচী অভিযান আৰম্ভ কৰিছে। ভাৰতীয় সেনাবাহিনী, আৰক্ষী আৰু কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীয়ে জিলাখনৰ সীমান্তৱৰ্তী তেৰিয়াথ-পনি-শিৱ খ'ৰি অঞ্চলত ড্ৰোন আৰু স্নিফাৰ ড'গকে ধৰি বিভিন্ন সামগ্ৰীৰে ব্যাপক অভিযান অব্যাহত আছে।

০০০০

টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি বাংলাদেশ দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। নিউয়ৰ্কৰ নাছাও কাউণ্টি আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত আৰম্ভ হ'ব।

০০০০

সমাপ্ত